# বৰ্ত্তমান পৰিস্থিতি সম্পৰ্কে
## = বক্তব্য =

ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ (মাৰ্ক্সবাদী) কেন্দ্ৰীয় কমিটীৰ প্ৰস্তাৱ
( দিল্লী- ২৮ আৰু ২৯ এপ্ৰিল, ১৯৭৭ )

# বৰ্ত্তমান পৰিস্থিতি সম্পৰ্কে ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাক্স´বাদী) ৰ বক্তব্য

ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে ( মাক্স´বাদী )লক্ষ্য কৰিছে যে কেন্দ্ৰত মোৰাৰজী দেশাইৰ নেতৃত্বাধীন জনতা চৰকাৰে বহিঃক্ষেত্ৰৰ জৰুৰীকালীন অৱস্থা উঠাই দি জৰুৰীকালীন ৰাজত্বৰ সামৰণি মাৰিছে। চৰকাৰে প্ৰেচ চেন্সৰ ব্যৱস্থাৰ অন্ত পেলাইছে, প্ৰেচ আইন ( আপত্তিজনক বিষয়বস্তু প্ৰকাশ নিষিদ্ধ আইন ) বাতিল কৰিছে, সংসদৰ কাৰ্য্যক্ৰমণিকা প্ৰকাশৰ নিৰপত্তা দি ফিৰোজ গান্ধী আইন পুনৰ বলবৎ কৰিছে, ইত্যাদি। এইদৰে জনতা চৰকাৰে পূৰ্ব্বৰ কংগ্ৰেছ শাসনত পদদলিত হোৱা নাগৰিক স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰসমূহ বহু পৰিমানে ফিৰাই আনিছে। ইয়াৰ ফলত এই চৰকাৰে দেশৰ গণতান্ত্ৰিক মনোভাবাপন্ন এক বুজন সংখ্যক জনসাধাৰণৰ শুভেচ্ছা লাভ কৰিছে।

অৱশ্যে এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত দেখা পোৱা দ্বিধাবোধ কেন্দ্ৰীয় কমিটিয়ে দুখেৰে লক্ষ্য কৰিছে। চৰকাৰী পক্ষৰ প্ৰথম নীতি-সম্পৰ্কীয় বিবৃতিস্বৰূপ সংসদৰ যুটীয়া বৈঠকত দিয়া ৰাষ্ট্ৰপতিৰ অভিভাষণত আশা কৰা হৈছিল যদিও এই কথা অভিভাষণত স্পষ্টভাৱে ঘোষনা কৰা নহল যে জঘন্য "মিছা' আইন বাতিল কৰা হব আৰু সকলো ৰাজনৈতিক বন্দীৰ প্ৰতি সাধাৰণ ক্ষমা প্ৰদান কৰা হব। তাৰ ফল হৈছে এয়ে যে এতিয়াও বহু সংখ্যক অভিযুক্ত আৰু বিচাৰাধীন বন্দী,আনকি 'মিছা' আইনত আটক বন্দীও জেলত আছে। আগৰ প্ৰধানমন্ত্ৰীৰ ভয়াবহ সন্ত্ৰাসৰ বিশেষ যন্ত্ৰ 'ৰিচাৰ্চ এণ্ড এনালিচিচ উইংটো এতিয়াও জীয়াই আছে। এনে দ্বিধাৰোধ ত্যাগ কৰিবলৈ, 'মিছাৰ' দৰে সৰ্ব্বজন-ঘৃনিতআইন বাতিল কৰিবলৈ আৰু সকলো ৰাজনৈতিক বন্দীৰ প্ৰতি সাধৰণ ক্ষমাপ্ৰদান ঘোষনা কৰিবলৈ কেন্দ্ৰীয় কমিটিয়ে চৰকাৰক আহ্বান কৰিছে আৰু অন্যান্য গণতান্ত্ৰিক দল আৰু গণসংগঠন বিলাকেো এনে আহ্বান জনাবৰ বাবে অনুৰোধ কৰিছে। এই ৰিচাৰ্চ এণ্ড এনালিচিচ বিভাগটো অনতিপলমে ভঙ্গ কৰি দিবলৈ কেন্দ্ৰীয় কমিটিয়ে দাবী জনাইছে।

OKDISCD

সেইদৰে ৰেলৰে আৰু যোগাযোগ মন্ত্ৰীদ্বয়ে সাধাৰণ ধৰ্ম্মঘটত অংশ গ্ৰহণ কৰাৰ বাবে শাস্তি ভোগা শ্ৰমিক-কৰ্ম্মচাৰীসকলক নিজ নিজ বিভাগত পুনৰ সংস্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে। শ্ৰমমন্ত্ৰীয়েও চৰকাৰী আৰু বেচৰকাৰী উভয় খণ্ডতে জৰুৰীকালীন অৱস্থাত বলি হোৱা শ্ৰমিক-কৰ্ম্মচাৰীসকলক পুনৰ মকৰল কৰিবলৈ আবেদন জনাইছে। কিন্তু আন আন মন্ত্ৰালয় এই ক্ষেত্ৰত সাধৰণভাবে ইতঃস্তত কৰিছে। এই সকলোলোকক পুনৰ সংস্থাপন কৰাৰ বাবে ক্ষিপ্ৰ ব্যৱস্থা লবলৈ কেন্দ্ৰীয় কমিটিয়ে দাবী জনাইছে।

নথন ৰাজ্যত নিৰ্ব্বাচন পতাৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি কেন্দ্ৰীয় কমিটীয়ে ওলগ জনাইছে আৰু যিবোৰ ৰাজ্যত নিৰ্ব্বাচিত বিধান সভাসমূহৰ আগৰ পাঁচবছৰীয়া আয়ুস শেষ হৈছে সেই ৰাজ্যসমূহৰ ক্ষেত্ৰতো একেই ব্যবস্থা লবৰ বাবে আহ্বান জনাইছে। কাৰণ বিধানসভাৰ কাৰ্য্যকাল বৃদ্ধি কৰাত কোনো নৈতিক আৰু ৰাজনৈতিক অনুমোদন নাই।

এইটো দেখা গৈছে যে জৰুৰীকালীন অৱস্থাৰ সময়চোৱাত জনসাধাৰণৰ ওপৰত চলোৱা পাশৱিক আক্ৰমণৰ লগত জড়িত ভালেকেইজন উচ্চপদস্থ বিষয়াক তেওঁলোকৰ পদবীৰ পৰা খেদোৱা হৈছে। কিন্তু কেন্দ্ৰীয় কমিটিয়ে আঙুলীয়াই দিব বিচাৰে যে এনে বহু বিষয়া এতিয়াও নিজৰ পদবীত কেৱল বাহাল থকাই নহয়, তেওঁলোকে এনে এক আচৰণো চলাই আছে যেন কেন্দ্ৰত চৰকাৰৰ কোনো পৰিবৰ্ত্তনেই হোৱা নাই।

জৰুৰীকালীন অৱস্থাত চলোৱা অত্যাচাৰৰ অনুসন্ধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে আয়োগ নিযুক্ত কৰিছে যদিও ৰাজ্য চৰকাৰবোৰৰ বেচি অংশই এই অনুসন্ধানৰ বাবে সহযোগ আগবঢ়োৱা নাই। জৰুৰীকালীন সময়চোৱাত আৰু এনেকি তাৰ আগতো 'সোঁপন্থী প্ৰতিক্ৰিয়াশীল আৰু বাওঁপন্থী হঠকাৰীহঁতৰ পৰা গণতন্ত্ৰক ৰক্ষা কৰাৰ" নামত যি অত্যাচাৰ আৰু পাশবিকতা সংঘটিত হৈছিল তাৰ বাবে দোষী ব্যক্তিসকলক শাস্তি বিহাৰ বাবে কেন্দ্ৰীয় চৰকাৰে যি নীতি অনুসৰণ কৰিছে, প্ৰতিখন ৰাজ্যিক চৰকাৰে যাতে সেই নীতি অনুসৰণ কৰে তাৰ বাবে ক্ষিপ্ৰ আৰু কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন।

কেন্দ্ৰীয় কমিটিয়ে লক্ষ্য কৰিছে যে মাৰুতি, নাগৰৱালা আৰু বংশীলাল আদিৰ ক্ষমতাৰ অপব্যৱহাৰৰ কিছুমান কুখ্যাত গোচৰৰ

অনুসন্ধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু সেয়ে যথেষ্ঠ নহয়, কাৰণ ক্ষমতাৰ এই সমস্ত অপব্যৱহাৰৰ উৎস আছিল আগৰ প্ৰধানমন্ত্ৰী নিজেই। জৰুৰীকালীন কুশাসনৰো উৎস আছিল তেৱেঁই। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ৰায়দানৰ পিচত জনসাধৰণে যেতিয়া প্ৰধানমন্ত্ৰীক গাদী এৰি দিবলৈ দাবী জনালে তেতিয়া তেওঁ নিজৰ মন্ত্ৰী পৰিষদৰ লগত আলোচনা নকৰাকৈয়ে চৰম একনায়কত্ববাদী আৰু অসাংবিধানীক উপায়েৰে জৰুৰীকালীন অৱস্থাৰ ঘোষনাপত্ৰত ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ আদায় কৰিলে। আকৌ এতিয়া এই কথাও সদৰী হৈছে যে এনেকি নিৰ্ব্বাচন ঘোষনা কৰাৰ আৰু জনাসাধাৰণে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰাৰ পিচতো জনসাধাৰণৰ ৰায়ক অবমাননা কৰি নিজৰ একনায়কত্ববাদী শাসন স্থায়ী কৰিবৰ বাবে তেওঁ শেষ মুহুৰ্ত্তলৈকে দুঃসাহসিক প্ৰচেষ্টা চলাইছিল। ইয়াৰ উপৰিও ভি, চি, শুক্লা, ওম মেহতা আদিৰ নিচিনা কুখ্যাত বাহিনীটোৰ সদস্যসকলক এতিয়াও এই অনুসন্ধানৰ ভিতৰলৈ অনা হোৱা নাই। আগৰ প্ৰধানমন্ত্ৰীৰ উপৰিও ক্ষমতাৰ অপব্যৱহাৰত জড়িত আন সকলো ব্যক্তিক সামৰি লোৱাৰ উদ্দেশ্যে অনুসন্ধানৰ পৰিসৰ বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় কমিটিয়ে কেন্দ্ৰীয় চৰকাৰলৈ আবেদন জনাইছে আৰু এই আবেদনত সহযোগ কৰিবলৈ অন্যান্য গণতান্ত্ৰিক শক্তিসমূহলৈ আহ্বাৱান জনাইছে।

এই প্ৰসঙ্গত কেন্দ্ৰীয় কমিটিয়ে কেৰেলাৰ কুখ্যাত 'ৰাজন কেচ' সম্পৰ্কে চৰকাৰ আৰু আন সকলো গণতান্ত্ৰিক দল, সংগঠন আৰু ব্যক্তিৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছে। এই গোচৰ সম্পৰ্কে ৰাজ্যৰ হাইকোৰ্ট আৰু চুপ্ৰিম কোৰ্টে এই সিদ্ধান্তত উপনীত হৈছে যে গোচৰটো সম্পৰ্কে ৰাজ্যচৰকাৰৰ আচৰণ নিন্দনীয়। কেৰেলাৰ শাসনাধিষ্ঠ যুক্তমৰ্চা আৰু কেন্দ্ৰৰ কংগ্ৰেছ নেতৃবৰ্গই সাম্প্ৰতিক নিৰ্ব্বাচনৰ পিচত মুখ্যমন্ত্ৰীৰ পদলৈ উত্তৰণ কৰা আগৰ গৃহমন্ত্ৰীজনক এতিয়া মুখ্যমন্ত্ৰীত্বৰ পৰা অপসাৰিত কৰাৰ প্ৰয়োজন দেখা পাইছে।

প্ৰতিদিনে দৈনিক বাতৰি কাকতত যি বোৰ তথ্য প্ৰকাশিত আৰু প্ৰচাৰিত হৈ আছে সেইবিলাকৰ পৰা অৱেশ্যে এইটো স্পষ্ট হৈ পৰিছে "ৰাজন কেচ" এটা বিচ্ছিন্ন ঘটনা নহয়; বৰং ই হল বিভিন্ন উপায়েৰে নিঃসহায় ব্যক্তিসকলৰ ওপৰত অত্যাচাৰ চলোৱাৰ এক সুপৰিকল্পিত আঁচনিৰে অংশ বিশেষ। পাশবিকতাৰ

OKDISCD

ফালৰ পৰা এই অত্যাচাৰৰ ৰূপ আগৰ নাজী আমোলৰ আটাইতকৈ ভয়াবহ আৰু ঘৃণনীয় দমনপীড়নৰ ব্যৱস্থাৰ সমতুল্য। যদিও 'ৰাজন কেচ'ৰ লগত প্ৰত্যক্ষভাবে জড়িত কেইজনমান বিষয়াক সাময়িকভাবে বৰ্খাস্ট কৰা হৈছে তথাপি এই ভয়ানক নিপীড়ন কক্ষৰ সংগঠনৰ বাবে জগৰীয়া কৰ্ম্মকৰ্ত্তাসকল এতিয়াও আগৰ পদত অধিস্থিত হৈ আছে। এনেধৰণৰ নিপীড়ন কক্ষত (Torture chambers) চলোৱা নিষ্ঠুৰ অত্যাচাৰৰ এক পূৰ্ণাঙ্গ অনুসন্ধানৰ বাবে আৰু তেনে অনুসন্ধান সুচল কৰাৰ উদ্দেশ্যে তেনে অত্যাচাৰৰ লগত জড়িত সকলো কৰ্ম্মকৰ্ত্তাকে সাময়িকভাবে বৰ্খাষ্ট কৰিবলৈ কেন্দ্ৰীয় কমিটিয়ে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি আবেদন জনাইছে।

দৈনিক বাতৰি কাকতসমূহত প্ৰকাশ পোৱা পুলিচী অত্যাচাৰৰ বাতৰিয়ে কেৰেলাক সকলোৰে দৃষ্টিগোচৰলৈ আনিছে যদিও দেশৰ আন আন ৰাজ্যতো আৰু বিশেষকৈ অন্ধ্ৰপ্ৰদেশ আৰু পশ্চিমবঙ্গত কংগ্ৰেছী আমোলৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বিসকলৰ প্ৰতি কৰা নিষ্ঠুৰ ব্যৱহাৰৰ প্ৰতিও কেন্দ্ৰীয় কমিটীয়ে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আক-ৰ্ষণ কৰিব বিচাৰে। যদি এনে সন্ত্ৰাসৰ পুনৰাবৃত্তি হব নালাগেতেন্তে দোষী ব্যক্তিসকলৰ যথোচিত শাস্তিৰ উদ্দেশ্যে এই সকলোবিলাক গোচৰৰ তদন্ত কৰাটো এটা তৎকালীন দায়িত্বহৈ পৰিছে।

কেন্দ্ৰীয় কমিটিয়ে জনতা পাৰ্টি আৰু কেন্দ্ৰীয় চৰকাৰক এইকথা সোঁৱৰাই দিব বিচাৰে যে আগৰ প্ৰধানমন্ত্ৰী আৰু তেওঁৰ কংগ্ৰেছী সমৰ্থকসকল যোৱা লোকসভা নিৰ্ব্বাচনত পৰাজিত হৈছে যদিও তেওঁলোকে যিকোনো উপায়েৰেই পুনৰ ক্ষমতালৈ আহিবৰ বাবে চেষ্টা চলাই আছে। কংগ্ৰেছ কাৰ্য্যকৰী কমিটিয়ে তেওঁলোকক এনেধৰনেৰে নিন্দা কৰিছে যে তাৰ দ্বাৰা শ্ৰীমতী ইন্দিৰা গান্ধী আৰু ওম মেহতাক শাস্তিৰ পৰা অব্যাহতি দিয়া হৈছে আৰু সেই দলৰ অন্য এজন সদশ্য ভি, চি, সুকলাক কেৱল লঘু শাস্তিহে দিয়া হৈছে। কংগ্ৰেছ নেতৃবৰ্গৰ সকলো অংশই "কংগ্ৰেছৰ ভিতৰত ঐক্যৰ" বাবে যি আহ্বান জনাইছে তাৰ পৰা এই কথাই প্ৰতিপন্ন হয় যে যিসকল ব্যক্তিয়ে তেওঁলোকৰ পাৰ্টি আৰু দেশক বৰ্ত্তমানৰ এই দুৰ্ভাগ্যজনক অবস্থালৈ অধঃপতিত কৰিলে তেওঁলোকৰ ক্ষেত্ৰত কংগ্ৰেছ নেতৃবৃন্দই পাৰস্পৰিক বুজাপৰা আৰু ক্ষমা(Forget aud forgive)ৰ নীতিহে

গ্ৰহন কৰিবলৈ বিচাৰে। কেন্দ্ৰীয় চৰকাৰে যদি এই ক্ষেত্ৰত কোমল মনোভাব গ্ৰহণ কৰে তেন্তে তাৰফলত এই দোষী ব্যক্তিসকলে যে অকল পূৰ্ণ পৰ্য্যায়ৰ ৰেহাইহে পাব এনে নহয়, গণতন্ত্ৰৰ ওপৰত পুনৰ আক্ৰমনৰ প্ৰস্তুতি চলাবলৈও তেওঁলোকক উৎসাহিত কৰা হব।

কেন্দ্ৰীয় কমিটিয়ে বৰ্ত্তমান দেশৰ সম্মুখত দেখা দিয়া অৰ্থনৈতিক সমস্যাসমুহৰ প্ৰতিও দৃষ্টি আকৰ্ষণ কৰিব বিচাৰে। এই অৰ্থনৈতিক সমস্যাসমূহ ঠিকমতে সমধা কৰিব নোৱাৰিলে জনতা দলে নাগৰিক স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰ পুনপ্ৰতিষ্ঠা কৰি জনগনৰ যি শুভেচ্ছা অৰ্জ্জন কৰিছে সেই শুভেচ্ছাত ভাঙোন ধৰিব। দ্ৰব্যমূল্য, মালিক আৰু চাকৰিয়ালৰ সম্পৰ্ক, কৰ, চাকৰি আদি সমস্যাসমূহ ক্ৰমে জটিলতৰ হৈ উঠিছে আৰু ইয়াৰ ফলত জনসাধৰণৰ সকলো অংশৰ মাজত অসন্তুষ্টি বাঢ়ি যোৱাটো নিশ্চিত।

চৰকাৰী মুখপাত্ৰসকলে অৰ্থনৈতিক পৰিস্থিতি আৰু বিশেষকৈ দ্ৰব্যমূল্য বৃদ্ধি আৰু বৃহৎ নিবনুৱা সমস্যাৰ গভীৰতাৰ কথা কৈছে যদিও এইবিলাকৰ কোনোটোকে সমাধান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ কথা ঘোষণা কৰা হোৱা নাই। একচেতীয়া পূজিপতি আৰু জমিদাৰসকলৰ মুনাফালাভৰ পথ সংকোচিত নকৰিলে জনসাধাৰণক কোনো প্ৰকাৰেই সকাহ দিব পৰা নহব। তদুপৰি বহুজাতিক সংস্থাসমূহৰ অনুপ্ৰবেশ আৰু বিদেশী সাহাৰ্য্যৰ ওপৰত থকা নিৰ্ভৰশীলতাই এই অৰ্থনৈতিক সংকটক তীব্ৰতৰ কৰি তুলিছে আৰু এই সকলোবিলাকৰ অন্ত পেলাব লাগিব।

কিন্তু এই কাম দূৰতে থাকক, অৰ্থনৈতিক ক্ষেত্ৰত গৃহীত কৰা বুলি যিবিলাক নীতিৰ কথা ঘোষণা কৰা হৈছে সেই বিলাকে দেশী আৰু বিদেশী ন্যস্তস্বাৰ্থকহে সহায় কৰিছে।

ইতিমধ্যে যি গম নীতি ( Wheat policy ) ঘোষণা কৰা হৈছে — ৰাজ্যচৰকাৰৰ সংগ্ৰহনীতিৰ পৰিত্যাগ, ৰাজ্যিক খাদ্য 'জ'ন' বাতিল আদি—সেই নীতিয়ে শস্যৰ নিৰ্দ্ধাৰিত মূল্যৰ পৰা বঞ্চিত হোৱা সৰুসুৰা আৰু মজলীয়া উৎপাদক সকলক ধ্বংস কৰিব, বৃহৎ উৎপাদক আৰু ব্যৱসায়ীক অধিক মুনাফা লুটাত সহায় কৰিব আৰু ক্ৰেতাৰ বাবে খাদ্যশস্যৰ মূল্যবৃদ্ধি ঘটাব।

সেইদৰে, আমদানী সম্পৰ্কীয় যি নীতি ঘোষণা কৰা হৈছে আৰু যি নীতিক 'ইণ্ডিয়ান চেম্বাৰচ্ অব কমাৰ্চ' এণ্ড ইণ্ডাষ্ট্ৰী'ৰ

OKDISCD

সংগঠিত বৃহৎ ব্যৱসায়ী গোষ্ঠীয়ে আদৰণি জনাইছে, সেই নীতিও হল একচেতীয়া পুজিপতিসকলৰ স্বাৰ্থত আমদানী সৰলীকৰণৰ ( Liberalization ) নীতিহে আৰু সেইনীতিয়ে দেশীয় শিল্পক ক্ষতি কৰিব।

ইস্পাত শিল্পত দেখাৰ দৰে এনেকুৱা ইঙ্গিত পোৱা গৈছে যে বহুজাতিক সংস্থাসমূহৰ প্ৰতি আমন্ত্ৰণ চলি থাকিব আৰু বিদেশী সাহাৰ্য্যৰ ওপৰত নিৰ্ভৰশীলতাও চলি থাকিব।

কেন্দ্ৰীয় কমিটিয়ে আশা কৰে যে শ্ৰমজীৱী জনগণক প্ৰতিনিধিত্ব কৰা ট্ৰেড ইউনিয়ন, কৃষক সভা আৰু আন গণসংগঠনবিলাকৰ সমস্যা সমাধানৰ উদ্দেশ্যে নিৰ্দ্দিষ্ট কাৰ্য্যকৰী নীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সেইবিলাকৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিব। এই গণসংগঠন সমূহ আৰু সেইবিলাকক নেতৃত্ব দিয়া ৰাজনৈতিক দলবিলাকৰ লগত বুজাপৰা কৰাৰ সময়তো চৰকাৰী নীতিক প্ৰভাবান্বিত কৰিব পৰা কোনো পক্ষপাতমূলক ৰাজনৈতিক বিচাৰ-বিবেচনাক সুবিধা নিদিয়াটো এক প্ৰয়োজন।

এই সংক্ৰান্তত কেন্দ্ৰীয় কমিটিয়ে জনতা দলৰ নেতৃবৰ্গ আৰু কেন্দ্ৰীয় চৰকাৰক সুৰঁৰাই দিব বিচাৰে যে কংগ্ৰেছ দলে একদলীয় একনায়কত্বৰ ফালে গতি কৰাৰ অন্যতম লক্ষণ আছিল সেইদলৰ লগত শাৰী নোপোনোৱা গণসংগঠন আৰু ৰাজনৈতিক দলবিলাকৰ প্ৰতি তেওঁলোকে গ্ৰহণ কৰা আক্ৰমণাত্মক মনোভাব। সেয়ে স্বৈৰতন্ত্ৰৰ সমস্ত অবশেষ দূৰ কৰাৰ প্ৰক্ৰিয়াক সম্পূৰ্ণ কৰাৰ অৰ্থ হল, শাসকদলৰ লগত চকুৰে চকুৰে নোচোৱা গণসংগঠন আৰু ৰাজনৈতিক দলসমূহৰ প্ৰতি এক সম্পূৰ্ণ পক্ষপাতহীন মনোভাব গ্ৰহণ কৰাটো।

কেন্দ্ৰীয় কমিটীৰ মতামত এয়ে যে কংগ্ৰেছী স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে চলোৱা সংগ্ৰামত নিজৰ সহযোগী সকলৰ প্ৰতিও জনতাদলে এই নীতিকেই গ্ৰহণ কৰা উচিত। জনতা দল আৰু চি-পি-আই ( এম ) কে ধৰি অকংগ্ৰেছী দলসমূহৰ মাজত তিনি-কোণীয়া প্ৰতিদ্বন্দ্বিতা এৰাৰ উদ্দেশ্যে আসনৰ ভাগ বতৰাৰ মাজেদি যি সহযোগীতা আৰম্ভ হৈছিল আৰু যি সহযোগীতা পিচলৈ যুটীয়া নিৰ্ব্বাচনী প্ৰচাৰ আৰু যুটীয়া কামকাজলৈ অগ্ৰগতি লাভ কৰিছিল সিয়েই হল লোকসভা নিৰ্ব্বাচনৰ দেৰমাহত গঢ়ি উঠা এক ডাঙৰ লাভ !

GKDSCD

কেন্দ্ৰীয় কমিটিয়ে বিচাৰে যে এই ঐক্য ৰক্ষণ আৰু শক্তিশালী কৰা প্ৰয়োজন। “জনতা জোৱাৰ”ৰ অৰ্থ কেৱল জনতাদলকহে সমৰ্থন দিয়া— এনে ভুল বিশ্বাসৰ ভিত্তিত গ্ৰহণ কৰা আত্মসন্তুষ্টিমূলক মনোভাৱে গণতান্ত্ৰিক ঐক্যৰ মনোভাবকে ক্ষতি কৰিব। স্বৈৰতন্ত্ৰবিৰোধী শক্তিসমূহৰ এই ঐক্যৰ ফলত জনসাধাৰণ অভাবনীয় ৰাজনৈতিক কাৰ্য্যকলাপৰ বাবে জাগি উঠিছিল। অৱশ্যে, এই শক্তিসমূহৰ ভিতৰত জনতাদলেহে আটাইতকৈ শক্তিশালী আছিল সন্দেহ নাই, কিন্তু গণতন্ত্ৰী কংগ্ৰেছ ( চি-ত্ৰফ-ডি ), সংখ্যালঘু সম্প্ৰদায়, চি-পি-আই (এম) আৰু ইয়াৰ সহযোগীসকল, আকালী দল, আদি শক্তিসমূহেও নিজৰ বিশিষ্ট অৰিহনা যোগাইছিল। জনতাদলৰ নেতৃবৰ্গই এই সকলোবিলাক আওকাণ কৰিলে আৰু স্বাধীনোত্তৰ ত্ৰিশ বছৰত কংগ্ৰেছ দলে দখল কৰি থকা স্থান এতিয়া তেওঁলোকৰ দখললৈ আহিছে বুলি ধৰি ললে ই হব তেওঁলোকৰ বাবে এক আত্মঘাতী কাৰ্য্য।

আগন্তুক বিধানসভা নিৰ্ব্বাচনসমূহৰ বাবে স্বৈৰতন্ত্ৰৰ বিৰোধী শক্তিসমূহৰ ঐক্যক বাহাল ৰখা আৰু শক্তিশালী কৰাটো এতিয়া আৰু বেচি প্ৰয়োজনীয় হৈ পৰিছে। বিধানসভাসমূহৰ এই নিৰ্ব্বাচন হৈছে যোৱা লোকসভা নিৰ্ব্বাচনক কেন্দ্ৰ কৰি চলোৱা ৰাজনৈতিক সংগ্ৰামৰে ক্ৰমপৰিবৰ্তিত আৰু সেই নিৰ্ব্বাচনত গঢ়ি উঠা ঐক্যৰ ধাৰাবাহিকতাই হল স্বৈৰতান্ত্ৰিক শক্তিসমূহৰ ওপৰত চৰম আঘাট সংঘটিত কৰাৰ প্ৰতিশ্ৰুতি। ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে (মাৰ্ক্সবাদী) এই নীতি অনুসৰণ কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে এইটোও কামনা কৰে যে আন আন দলসমূহেও আৰু বিশেষকৈ জনতাদলে স্বৈৰতন্ত্ৰবিৰোধী শক্তিসমূহক ঐক্যবদ্ধ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ মাজেদি নিজৰ দায়িত্ব পালন কৰক।

এনে এক বাস্তৱদৃষ্টিভঙ্গী গ্ৰহণ কৰা দূৰতে থাওক, জনতাদলৰ কিছুব্যক্তিয়ে সাম্যবাদ বিৰোধীতাৰ পথত ক্ষতিকৰ গণতন্ত্ৰ বিৰোধী ভূমিকা গ্ৰহণ কৰিছে আৰু এই দেশত মাৰ্ক্সবাদে শিপা পুতিব নোৱাৰে বুলি চৰম কথা বতৰাও কব ধৰিছে। অতীত এনে সাম্যবাদ বিৰোধী দৃষ্টিভঙ্গীয়ে দেশখনক কলৈ লৈ গল সেই কথা চিন্তা কৰি চাবৰ বাবে জনতা দল আৰু চি-এফ-ডিৰ নেতৃবৃন্দৰ প্ৰতি কেন্দ্ৰীয় কমিটিয়ে আহ্বান জনায়। ভবিষ্যতেও এনে মনোভাবে ( Posture ) গণতন্ত্ৰক বিপদাপন্ন কৰিব আৰু স্বৈৰতান্ত্ৰিক ধাৰাৰ জন্ম দিব পাৰে।

OKDISCD

আৰ-এচ-এচ ৰ কাৰ্য্যকলাপৰ পুণৰ্জাগৰণো অশুভ। এইটো সকলোৰে জনা কথা যে আৰ-এচ-এচে নিজে শ্ৰমিক শ্ৰেণী আৰু গণতান্ত্ৰিক আন্দোলন তথা ধৰ্ম্মীয় সংখ্যালঘুসকলৰ বিৰুদ্ধে নিয়োজিত এক অৰ্দ্ধসামৰিক সংগঠন হিচাপে কুখ্যাতি অৰ্জ্জন কৰিছে। আৰ-এচ এচ ৰ ওপৰত কংগ্ৰেছ চৰকাৰে জাপি দিয়া নিষেধাজ্ঞা তুলিলোৱাৰ বাবে বামপন্থী আৰু গণ-তান্ত্ৰিক আন্দোলনে খুব সঠিকভাবে দাবী জনাইছিল; সেইবুলি আৰ-এচ-এচ ৰ পুণৰুত্থানে গণতান্ত্ৰিক আন্দোলনৰ সকলো অংশৰ মানুহৰ বাবে যি বিপদ চপাই আনিব পাৰে তাৰ প্ৰতি শ্ৰমিক শ্ৰেণী আৰু শ্ৰমজীৱী জণগণে চকু মুদি থাকিব নোৱাৰে কেন্দ্ৰীয় কমিটিয়ে আশা কৰে যে আৰ-এচ-এৰ লগত অতীতত জড়িত থকা সকলকে ধৰি জনতা দলৰ নেতৃবৃন্দই আৰ-এচ-এচ ৰ পুনৰুত্থানে মাতি আনিব পৰা বিপদৰ গুৰুত্ব উপলব্ধি কৰিব।

কেন্দ্ৰীয় কমিটিয়ে ভাৰত আৰু চোভিয়েট ইউনিয়নৰ বৈদেশীক মন্ত্ৰীসকলৰ মাজত হোৱা সফল আলোচনা, ভাৰত-চোভিয়েট যুটীয়া ঘোষণাপত্ৰ আৰু আলোচনাৰ অন্তত স্বাক্ষৰিত হোৱা তিনিটা চুক্তিক আদৰণি জনায়। নতুনদিল্লীত হোৱা গোষ্ঠী নিৰপেক্ষ বুৰোৰ সফল সম্মিলনকো কেন্দ্ৰীয় কমিটিয়ে ওলগ জনায়। গোষ্ঠী নিৰপেক্ষতা তথা ভাৰত আৰু সমাজতান্ত্ৰিক দেশসমূহৰ মাজৰ বন্ধুত্বমুলক সম্পৰ্কৰ প্ৰতি যিসকলে বৈৰী মনোভাব গ্ৰহণ কৰিছিল সেইসকলৰ বাবে এইবি-লাক হল প্ৰত্যক্ষ প্ৰত্যাখানস্বৰূপ। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ দাবী হল এয়ে যে চৰকাৰে গোষ্ঠী নিৰপেক্ষ আৰু সমাজতান্ত্ৰিক দেশবিলাকৰ লগত আৰু বেচি ওচৰ সম্পৰ্ক গঢ়ি তোলা উচিত।

আমাৰ দেশ আৰু জনগণৰ সম্মুখত অজি গভীৰ সমস্যাই দেখা দিছে। এই সমস্যাসমূহৰ সমাধান যাতে কৰিব পাৰি তাৰ বাবে কংগ্ৰেছ চৰকাৰে অনুসৰণ কৰা নীতিৰ পৰা ফালৰি কাটি অহাটোকে জণসাধৰণে আশা কৰে। সম্ভাব্য ক্ষিপ্ৰতাৰে জনগনৰ এই আকাঙ্খ্যাক পূৰণ কৰিবৰ উদ্দেশ্যে যোৱা লোকসভা নিৰ্ব্বাচনত গঢ়ি উঠা ঐক্যক ৰক্ষা কৰিব আৰু শক্তিশালী কৰিব লাগিব।

OKDISCD